# REGIONAL NEWS UNIT
## ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 23-09-2022
**Time :** 0900 Hrs

# *Assamese Morning Bulletin*
# HEADLINES

১। ৰাজ্য চৰকাৰৰ আজি ১১ হাজাৰ ২৩৬ গৰাকী যোগ্য প্ৰাৰ্থীক গুৱাহাটীত আনুষ্ঠানিকভাৱে নিযুক্তি পত্ৰ প্ৰদান।

২। কালি ৰাজ্যত গ্ৰেপ্তাৰ হোৱা পি এফ আইৰ সদস্যক জেৰা অব্যাহত।

৩। প্ৰধানমন্ত্ৰীৰ নিৰ্বাচিত ভাষণৰ এখন সংকলন আজি নতুন দিল্লীৰ আকাশবাণী ভৱনত উন্মোচন।

৪। কমনৱেলথ গেমছত স্বৰ্ণজয়ী লনবল খেলুৱৈ নয়নমণি শইকীয়াক বৰ্ষশ্ৰেষ্ঠ ক্ৰীড়াবিদৰ বঁটা প্ৰদান।

*আৰু*

৫। নাগপুৰৰ বিদৰ্ভ ক্ৰিকেট ষ্টেডিয়ামত আজি ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজৰ দ্বিতীয়খন টি-টুৱেণ্টি।

০০০০০০০

ৰাজ্য চৰকাৰৰ এক লাখ যুৱক-যুৱতীক নিয়োগ প্ৰদানৰ প্ৰতিশ্ৰুতি পূৰণৰ অংশ হিচাপে আজি পুনৰ ১১ হাজাৰ ২৩৬গৰাকী যোগ্য প্ৰাৰ্থীক নিযুক্তি দিয়া হ'ব। খানাপাৰাৰ পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত হ'বলগীয়া নিযুক্তি সমাৰেশত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আনুষ্ঠানিকভাৱে নিযুক্তি পত্ৰ প্ৰদান কৰি। ৰাজ্য চৰকাৰৰ ২৪টা বিভাগত এই নিযুক্তিসমূহ দিয়া হ'ব। সেই অনুসৰি গৃহ আৰু ৰাজনৈতিক বিভাগত ৫ হাজাৰ ৩৩৫গৰাকী, উচ্চ আৰু কাৰিকৰী শিক্ষা বিভাগত ৯২৭, বিদ্যালয় শিক্ষা বিভাগত ৩ হাজাৰ ৮১১, উদ্যোগ আৰু ৰাজহুৱা প্ৰতিষ্ঠানত এগৰাকী, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগত ২৭৭, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগত ২৯৯, লোক নিৰ্মাণ বিভাগত ৩০৪, পৰ্যটন বিভাগত ৬ গৰাকী, জলসিঞ্চন বিভাগত ১৩৭, পৰিবহন বিভাগত ৩ গৰাকী, গৃহ আৰু নগৰ পৰিক্ৰমা বিভাগত এগৰাকী, পৰিৱেশ আৰু বন বিভাগত ৩৩, মহিলা আৰু শিশু উন্নয়ন বিভাগত ৪ গৰাকী, জলসম্পদত ৩ গৰাকী, জনস্বাস্থ্য কাৰিকৰী বিভাগত ৪ গৰাকী, ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগত ১৩ গৰাকী আৰু পৰ্যটন বিভাগত ৬ গৰাকীকে ধৰি অন্যান্য বিভাগত নিযুক্তি দিয়া হ'ব। আনহাতে, হস্ততাঁত আৰু বস্ত্ৰ শিল্প বিভাগত ৬ গৰাকী, ৰূপান্তৰ আৰু উন্নয়ন বিভাগত ১১ গৰাকী, সমবায় বিভাগত দুগৰাকী, দক্ষতা, নিয়োগ আৰু উদ্যমিতা বিভাগত ২৪ গৰাকী, তথ্য আৰু জনসংযোগ বিভাগত এগৰাকী, তথ্য-প্ৰযুক্তি বিভাগত ৪ গৰাকী, পশুপালন আৰু পশু চিকিৎসা বিভাগত ২৭ গৰাকী আৰু মীন বিভাগত ৩ গৰাকী প্ৰাৰ্থীক নিযুক্তি পত্ৰ প্ৰদান কৰা হ'ব।

নতুনকৈ নিযুক্তিপ্ৰাপ্ত যুৱক-যুৱতীসকলে যাতে নিৰ্ধাৰিত সময়ত চাকৰিত যোগদান কৰিব পাৰে তাৰ প্ৰতি লক্ষ্য ৰাখিবলৈ মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিছে।

০০০০০০০০০০

অসম আৰক্ষীয়ে কালি ৰাজ্যৰ বিভিন্ন ঠাইৰ পৰা পপুলাৰ ফ্ৰণ্ট অৱ ইণ্ডিয়া চমুকৈ পি এফ আই নামৰ সংগঠনটোৰ ১০ জন নেতাক গ্ৰেপ্তাৰ কৰে। অসম আৰক্ষীৰ সূত্ৰই জনোৱা মতে গ্ৰেপ্তাৰ কৰা পি এফ আই নেতাকেইগৰাকীয়ে সমগ্ৰ ৰাজ্যজুৰি সাম্প্ৰদায়িক বাতাবৰণ সৃষ্টি কৰাৰ ষড়যন্ত্ৰত লিপ্ত হৈছিল। গ্ৰেপ্তাৰ কৰা নেতাকেইগৰাকী আমিনুল হক, আব্দুল ৰেজ্জাক, ৰবিউল হুছেইন, নজৰুল ইছলাম ভূঞা, ৰফিকুল ইছলাম, আবু চামা আহমেদ, ফাৰহাদ আলী, খলিলুৰ ৰহমান, মুফটি ৰহমান উল্লা আৰু বজলুল কৰিম বুলি চিনাক্ত কৰা হৈছে। আৰক্ষী সূত্ৰই জনোৱা মতে অসম আৰক্ষীয়ে এন আই এৰ সহযোগত তেওঁলোকক ৰাজ্যৰ বিভিন্ন ঠাইৰ পৰা গ্ৰেপ্তাৰ কৰিছে। গ্ৰেপ্তাৰ কৰা নেতাকেইগৰাকীয়ে ধৰ্মীয় সংখ্যালঘু ৰাইজক বিপথে পৰিচালিত কৰি সাম্প্ৰদায়িক বিষবাষ্প বিয়পোৱাৰ অপচেষ্টা চলাইছিল। গ্ৰেপ্তাৰ হোৱা ১০জন পি এফ আইৰ নেতাক কাহিলিপাৰাত থকা অসম আৰক্ষীৰ বিশেষ শাখাৰ কাৰ্যালয়ত জেৰা চলোৱা হয়।

উল্লেখযোগ্য যে কালি এন আই এ আৰু বিভিন্ন সংস্থাই দেশৰ ১৫খন ৰাজ্যৰ ৯৩টা স্থানত নিৰ্দিষ্ট অভিযোগৰ ভিত্তিত পি এফ আইৰ বিৰুদ্ধে অভিযান চলাই শতাধিক নেতা কৰ্মীক গ্ৰেপ্তাৰ কৰিছে।

০০০০০০০০০০

প্ৰধানমন্ত্ৰীৰ নিৰ্বাচিত ভাষণৰ এখন সংকলন আজি নতুন দিল্লীৰ আকাশবাণী ভৱনত মুকলি কৰা হ'ব। **সবকা সাথ, সবকা বিকাশ, সবকা বিশ্বাস - প্ৰাইমমিনিষ্টাৰ নৰেন্দ্ৰ মোদী স্পীক্‌ছ** শীৰ্ষক গ্ৰন্থখনে প্ৰধানমন্ত্ৰী মোদীৰ এখন নতুন ভাৰতৰ পৰিকল্পনাক প্ৰতিফলিত কৰিব। উদ্বোধনী অনুষ্ঠানত কেৰালাৰ ৰাজ্যপাল আৰিফ মহম্মদ খান, প্ৰাক্তন উপ-ৰাষ্ট্ৰপতি এম ভেংকায়া নাইডু, তথ্য আৰু সম্প্ৰচাৰ অনুৰাগ ঠাকুৰ তথা মন্ত্ৰালয়ৰ সচিব অপূৰ্ব চন্দ্ৰৰ লগতে অন্যান্য জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকিব। তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ প্ৰকাশন বিভাগৰ দ্বাৰা এই অনুষ্ঠানৰ আয়োজন কৰা হৈছে। গ্ৰন্থখনে জন অংশীদাৰিত্বৰ জৰিয়তে এখন নতুন ভাৰতৰ বাবে থকা মানুহৰ আশা-আকাংক্ষাসমূহ প্ৰতিফলিত কৰিছে। নতুন ভাৰতৰ প্ৰত্যাহ্বানসমূহক সুযোগলৈ পৰিৱৰ্তন কৰাৰ সক্ষমতা থকাৰ লগতে দেশখন আত্মনিৰ্ভৰশীল আৰু শক্তিশালী হ'ব। গ্ৰন্থখনত ২০১৯ চনৰ মে' মাহৰ পৰা ২০২০ চনৰ মে' মাহলৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ৮৬টা বিশেষ ভাষণ সন্নিৱিষ্ট কৰা হৈছে। ভাষণসমূহ আত্মনিৰ্ভৰ ভাৰত- অৰ্থনীতি, জনসাধাৰণ- প্ৰথম প্ৰশাসন, কোভিড-১৯ যুঁজ, প্ৰগিতশীল ভাৰত- বৈদেশিক পৰিক্ৰমা, জয় কিষাণ আদিকে ধৰি ১০টা বিষয়ত বিভক্ত কৰা হৈছে। গ্ৰন্থখন হিন্দী আৰু ইংৰাজীত মুকলি কৰা হ'ব। গ্ৰন্থখন দেশজুৰি থকা প্ৰকাশন বিভাগৰ বিপণীসমূহত তথা নতুন দিল্লীৰ চুচনা ভৱনৰ গ্ৰন্থ বিথিকাত উপলব্ধ হ'ব। তদুপৰি ভাৰত কোষ মঞ্চ আৰু প্ৰকাশন বিভাগৰ ৱেবছাইটৰ জৰিয়তে অনলাইন পদ্ধতিৰেও গ্ৰন্থখন ক্ৰয় কৰিব পৰা যাব। গ্ৰন্থখন ই-বুক আকাৰে এমাজন আৰু গুগুল প্লে-টো উপলব্ধ হ'ব।

০০০০০০০০০০

কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে বেংগালুৰুত কালিৰ পৰা তিনিদিনীয়াকৈ আয়োজিত **চেতনাশক্তি বিজ্ঞান সমাজ প্ৰযুক্তি আৰু আধ্যাত্মিকতা** শীৰ্ষক আন্তঃৰাষ্ট্ৰীয় সন্মিলনৰ শুভাৰম্ভ কৰে। ভাৰতীয় তথা এছিয় আৰু পাশ্চাত্যৰ বিজ্ঞানী প্ৰযুক্তিবিদ, সমাজ বিজ্ঞানী, আধ্যাত্মিক আৰু দাৰ্শনিক পণ্ডিতসকলৰ মাজত সহমত সৃষ্টি কৰাৰ বাবে উমৈহতীয়া সাঁকো গঢ় দিয়াৰ লক্ষ্যৰে এই সন্মিলনৰ আয়োজন কৰা হৈছে। অনুষ্ঠানত দিয়া ভাষণত শ্ৰীসোণোৱালে কয় যে এখন সুস্থ ভাৰত গঢ় দিয়াৰ বাবে দেশৰ মুখ্য চিকিৎসালয়সমূহত আধুনিক ঔষধি ক্লিনিকৰ সমান্তৰালভাৱে আয়ুষ

ক্লিনিক স্থাপন কৰাৰ বাবে ব্যৱস্থা লোৱা হৈছে। মন্ত্ৰীগৰাকীয়ে আজি আয়ুষ মন্ত্ৰালয়ৰ অধীনৰ আয়ুষ স্বাস্থ্য যোজনাৰ অংশ হিচাপে বেংগালুৰুত ৰাষ্ট্ৰীয় মানসিক স্বাস্থ্য আৰু স্নায়ুৰ্বিজ্ঞান প্ৰতিষ্ঠানৰ উৎকৰ্ষতা প্ৰকল্পৰ উদ্বোধন কৰে।

০০০০০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সমাগত দুৰ্গা পূজালৈ লক্ষ্য ৰাখি ৰাজ্য চৰকাৰৰ বিষয়া কৰ্মচাৰীসকলৰ চলিত মাহৰ দৰমহা প্ৰদানৰ প্ৰক্ৰিয়া আৰম্ভ কৰিবলৈ বিত্ত বিভাগক নিৰ্দেশ দিছে। দুৰ্গোৎসৱ উপলক্ষে অহা ২ অক্টোবৰৰ পৰা চৰকাৰী কাৰ্যালয় সমূহ বন্ধ থাকিব। ইয়াৰ পৰিপ্ৰেক্ষিতত পূজা উদযাপনৰ সহায়ক হোৱাকৈ মুখ্যমন্ত্ৰীয়ে ৰাজ্য চৰকাৰৰ বিষয়া কৰ্মচাৰীসকলৰ দৰমহা অহা ২৯ ছেপ্তেম্বৰৰ পৰা মুকলি কৰাৰ প্ৰক্ৰিয়া আৰম্ভ কৰিবলৈ বিত্ত বিভাগক নিৰ্দেশ দিয়ে।

০০০০০০০০০০

ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান অসমৰ উদ্যোগত প্ৰতিখন জিলাৰ নিৰ্বাচিত স্বাস্থ্য খণ্ড বা একোটা নিৰ্দিষ্ট স্থানত সামগ্ৰিকভাৱে বিশেষ স্বাস্থ্য শিবিৰৰ আয়োজন কৰিছে। মাতৃ আৰু শিশুক স্বাস্থ্য সেৱা প্ৰদানৰ লক্ষ্যৰে আয়োজিত এই কাৰ্যসূচী আজি স্বাস্থ্যমন্ত্ৰী কেশৱ মহন্তই দিশপুৰৰ ৰাজধানী ৰাজ্যিত চিকিৎসালয়ত মুকলি কৰিব। উল্লেখযোগ্য যে ৰাজ্যৰ প্ৰতিখন জিলাতে আজি এই বিশেষ স্বাস্থ্য শিবিৰ অনুষ্ঠিত হ'ব।

০০০০০০০০০০

স্বাস্থ্য মন্ত্ৰী কেশৱ মহন্তই কালি এপল' হস্পিটেল লিমিটেডৰ জ্যেষ্ঠ ব্যৱস্থাপনা পৰ্যায়ৰ বিষয়া আৰু ভাৰতীয় প্ৰযুক্তি বিদ্যা প্ৰতিষ্ঠান গুৱাহাটীৰ প্ৰতিনিধিৰ সৈতে আলোচনাত মিলিত হয়। বৈঠকত স্বাস্থ্যমন্ত্ৰী শ্ৰীমহন্তই উত্তৰ গুৱাহাটীত স্থাপন হ'বলগীয়া আছাম এডভান্স হেল্‌থ কেয়াৰ ইনোভেশ্যন ইনষ্টিটিউটৰ বিষয়ে বিষয়াসকলৰ লগত আলোচনা কৰে। অত্যাধুনিক গৱেষণা আৰু উন্নত স্বাস্থ্য সেৱাৰ বাবে নিৰ্মাণ হ'বলগীয়া চিকিৎসালয়খনৰ জৰিয়তে জনসাধাৰণৰ স্বাস্থ্য সুনিশ্চিত হ'ব বুলি তেওঁ আশা প্ৰকাশ কৰে।

০০০০০০০০০০

অসম লোক নিৰ্মাণ বিভাগৰ তত্ত্বাৱধানত কালি বজালীত পথ নিৰ্মাণ সন্দৰ্ভত বিশেষ কৰ্মশালা অনুষ্ঠিত হয়। এই কৰ্মশালাত ৰাজ্যখনৰ লগতে বহিঃৰাজ্যৰ অভিযন্তাসকলে অংশগ্ৰহণ কৰে। পথ নিৰ্মাণ সন্দৰ্ভত প্ৰয়োজনীয় কাৰিকৰী কৌশল সন্দৰ্ভত এই কৰ্মশালাত আলোচনা কৰা হয়।

০০০০০০০০০০

গুৱাহাটী বিশ্ববিদ্যালয়ৰ অন্তৰ্গত আন্তঃমহাবিদ্যালয়ৰ কেন্দ্ৰীয় মাণ্ডলিক যুৱ মহোৎসৱ কালিৰে পৰা তিনিদিনীয়া কাৰ্যসূচীৰে কামৰূপ জিলাৰ শুৱালকুছিত আৰম্ভ হৈছে। বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয় প্ৰাংগণত অনুষ্ঠিত এই যুৱ মহোৎসৱত কামৰূপ, মৰিগাঁও আৰু কামৰূপ মহানগৰ জিলাৰ ৩০খন মহাবিদ্যালয়ৰ ৮ শতাধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰিছে।

০০০০০০০০০০

চিৰাং জিলাৰ ভাৰত-ভূটান সীমান্তৰ দাদগিৰি আৰু ভূটানৰ গেলেফুৰ মাজত আজি আন্তঃৰাষ্ট্ৰীয় প্ৰবেশদ্বাৰ মুকলি কৰা হ'ব। কোৱিড পৰিস্থিতিৰ বাবে যোৱা আঢ়ৈ বছৰ ধৰি বন্ধ হৈ থকা ভূটানৰ এই প্ৰবেশদ্বাৰ মুকলি কৰাৰ বাবে চিৰাঙৰ সীমামূৰীয়া জনসাধাৰণৰ মাজত আনন্দ বিৰাজ কৰা পৰিলক্ষিত হৈছে। উল্লেখযোগ্য যে অলপতে কোকৰাঝাৰত দুয়োখন দেশৰ মাজত হোৱা আলোচনামৰ্মে আজি ভূটানে

প্ৰবেশদ্বাৰ খোলাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। সেই অনুসৰি পুৱা চাৰে ১০ বজাত গেলেফুৰ প্ৰবেশদ্বাৰত কেইবাজনো শীৰ্ষ বিষয়াৰ উপস্থিতিত এই দুৱাৰ মুকলি কৰা হ'ব।

০০০০০০০০০০

ৰাষ্ট্ৰীয় পোষণ মাহ ২০২২ ৰ লগত সংগতি ৰাখি আজি যোৰহাট জিলা প্ৰশাসন আৰু জিলা সমাজ কল্যাণ বিভাগৰ সৌজন্যত ক্ৰীড়া বিষয়াৰ কাৰ্যালয় প্ৰাংগণত যোগ কাৰ্যসূচী পালন কৰা হয়। এই কাৰ্যসূচীত অতিৰিক্ত উপায়ুক্ত কবিতা কাকতি কোঁৱৰ, জিলা সমাজ কল্যাণ বিষয়া আৰু কৰ্মচাৰীসকলৰ লগতে অংগণবাড়ী কৰ্মী আৰু সহয়িকাসকলে অংশগ্ৰহণ কৰে। এই কাৰ্যসূচীত বিভিন্ন বিদ্যালয়ৰ ক্ৰীড়াত লগত জড়িত ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকসকলেও অংশগ্ৰহণ কৰে।

০০০০০০০০০০

দেশৰ সৰ্ববৃহৎ জনসেৱা সম্প্ৰচাৰ প্ৰতিষ্ঠান আকাশবাণী স্বাধীনতাৰ পাছত বিগত ৭৫ বছৰত সমগ্ৰ দেশৰ জনসাধাৰণৰ বাবে তথ্য আৰু বাতৰিৰ শক্তিশালী মাধ্যম হিচাপে পৰিগণিত হৈছে। আকাশবাণীয়ে **আজাদ ভাৰত কী বাত, আকাশবাণী কে সাথ** শীৰ্ষক এটা শৃংখলাৰে স্বাধীনতাৰ ৭৫ সংখ্যক বাৰ্ষিকী উদযাপন কৰিছে। আকাশবাণীয়ে বচা বচা কাহিনীৰ মাধ্যমেৰে সমাজৰ বিভিন্ন ক্ষেত্ৰত স্বাধীনতাৰ পাছৰে পৰা ভাৰতবৰ্ষৰ যাত্ৰাৰ চমু আভাষ দাঙি ধৰিছে। এই শৃংখলাৰ আজিৰ খণ্ডটিত দেশৰ জনসাধাৰণৰ জীৱন-জীৱিকাৰ সুচলতা বৃদ্ধিৰ উদ্দেশ্যে গ্ৰহণ কৰা পদক্ষেপসমূহৰ বিষয়ে প্ৰচাৰ কৰা হ'ব। এই অনুষ্ঠান আকাশবাণীৰ ইউ টিউব চেনেল আৰু নিউজ অন এয়াৰ এপৰ লগতে টুইটাৰ, ফেইচবুক তথা ইনষ্টাগ্ৰামৰ মাধ্যমেৰে শুনিবলৈ পোৱা যাব।

০০০০০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ কাইলৈ নিশা ৮ বজাত প্ৰচাৰ হ'বলগীয়া দৃষ্টিপাত অনুষ্ঠানত অসমত জলজীৱন মিছন সন্দৰ্ভত আলোচনা অনুষ্ঠিত হ'ব। অনুষ্ঠানত জলজীন মিছনৰ মিচন সঞ্চালক  কৈলাশ কাৰ্তিক অতিথি হিচাপে উপস্থিত থাকিব।

০০০০০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগৰ প্ৰাক্তন বাতৰি পৰিৱেশক গোলাপ শইকীয়াৰ সোঁৱৰণত আয়োজন কৰা তৃতীয় বাৰ্ষিক প্ৰাইজমানি বাতৰি পঢ়া প্ৰতিযোগিতাৰ ফলাফল ঘোষণা কৰা হৈছে। ৰাজ্যৰ বিভিন্ন জিলাৰ পৰা শতাধিক প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰা প্ৰতিযোগিতাখন তিনিটা শাখাত অনুষ্ঠিত হৈছিল। ক-শাখাত নলবাৰীৰ জিজ্ঞাসা ভট্টাচাৰ্য্যই প্ৰথম, লখিমপুৰৰ জৰাবৰ্ণা শইকীয়াই দ্বিতীয় আৰু নগাঁৱৰ তপস্যা তৰীষিয়ে তৃতীয় পুৰস্কাৰ লাভ কৰে। একেদৰে খ-শাখাত গোলাঘাটৰ হেমন্ত বৰাই প্ৰথম, নলবাৰীৰ ৰিপুঞ্জয় কলিতাই দ্বিতীয় আৰু বৰপেটাৰ পুষ্পমুগ্ধা দাসে তৃতীয় স্থান লাভ কৰে। গ-শাখাত লখিমপুৰৰ হিমাদ্ৰী দিহিঙীয়াই প্ৰথম, গুৱাহাটীৰ জয়শ্ৰী শৰ্মাই দ্বিতীয় আৰু শোণিতপুৰৰ প্ৰদীপ কুমাৰ বৰঠাকুৰে তৃতীয় স্থান লাভ কৰে। প্ৰতিযোগিতাৰ তিনিওটা শাখাতে প্ৰথম স্থান লাভ কৰা প্ৰতিযোগীক নগদ তিনি হাজাৰ, দ্বিতীয়ক ২ হাজাৰ আৰু তৃতীয় স্থানপ্ৰাপ্তক এহেজাৰ টকাকৈ পুৰস্কাৰ দিয়া হ'ব। অহা ২৫ ছেপ্তেম্বৰ ৰবিবাৰে আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ  চৌহদত বঁটা বিতৰণ আৰু গোলাপ শইকীয়া স্মৃতিচাৰণ সভা অনুষ্ঠিত হ'ব।

০০০০০০০০০০

অসম ক্ৰীড়া সাংবাদিক সন্থাৰ উদ্যোগত কালি গুৱাহাটীত ২০২২ বৰ্ষৰ বৰ্ষশ্ৰেষ্ঠ খেলুৱৈ বঁটা প্ৰদান কৰা হয়। এই বছৰৰ বাবে বাৰ্মিংহাম কমনৱেলথ গেমছত স্বৰ্ণ জয় কৰা লনবল খেলুৱৈ নয়নমণি শইকীয়াক

এই বঁটা প্ৰদান কৰা হয়। আনহাতে, সাতোৰবিদ আস্থা চৌধুৰীক এন এন সিন্‌হা শ্ৰেষ্ঠ জুনিয়ৰ খেলুৱৈৰ বঁটা প্ৰদান কৰা হয়। সেইদৰে   বৰ্ষশ্ৰেষ্ঠ ফুটবল দলৰ নুৰুল আমিন বঁটা অইল ইণ্ডিয়াক প্ৰদান কৰাৰ লগতে পুলিন দাস জীৱনজোৰা সাধনা বঁটা প্ৰবীণ ক্ৰীড়া সাংবাদিক বলেন্দ্ৰ মোহন চক্ৰৱৰ্তীক আগবঢ়োৱা হয়। ৰাষ্ট্ৰীয় অভিলেখ গঢ়া এথলীত অম্লান বুঢ়াগোঁহাইক জুৰীৰ বিশেষ বঁটাৰে সন্মানিত কৰা হয়।

oooooooooo

ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজৰ দ্বিতীয়খন টি-টুৱেণ্টি খেল আজি নাগপুৰৰ বিদৰ্ভ ক্ৰিকেট এছ'চিয়েচন ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। খেলখন সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব। যোৱা মংগলবাৰে মোহালীত অনুষ্ঠিত শৃংখলাৰ প্ৰথমখন খেলত অষ্ট্ৰেলিয়াই ভাৰতক ৪ উইকেটত পৰাস্ত কৰি শৃংখলাত ১-০ৰ অগ্ৰগতি লাভ কৰিছিল। অষ্ট্ৰেলিয়াই আজিৰ খেলখনত জয়েৰে এই ব্যৱধান ২-০লৈ বৃদ্ধি কৰিবলৈ চেষ্টা চলাব। ইপিনে, ভাৰতেও শৃংখলাত সমতা স্থাপনৰ উদ্দেশ্যে আপ্ৰাণ চেষ্টা কৰিব।

oooooooooo

অম্বামেধি সৰ্বভাৰতীয় আমন্ত্ৰণমূলক ফুটবল টুৰ্ণামেণ্ট আজিৰ পৰা মঙলদৈ ষ্টেডিয়ামত আৰম্ভ হ'ব। মঙলদৈ ক্ৰীড়া সংস্থাৰ উদ্যোগত আজি দিনৰ আঢ়ৈ বজাত অনুষ্ঠিত হ'বলগীয়া উদ্বোধনী খেলখনত পূৰ্বৰ কেইবাবাৰো ছেম্পিয়নৰ খিতাপ অৰ্জন কৰা অসম ৰাজ্যিক বিদ্যুৎ পৰিষদ স্পৰ্চ ক্লাব শ্বিলঙৰ ইউনাইটেড ৰাইজিং একাদশৰ মুখামুখি হব।

oooooooooo

## Newspaper Review

আজি গুৱাহাটীৰ পৰা প্ৰকাশিত দৈনিক অসম কাকতখনে সদনৰ বিষয়বস্তু ৰাজপথত আলোচনা হোৱাত উদ্বিগ্ন ধনখড় শিৰোনামৰ এটা বাতৰি প্ৰধান বাতৰি হিচাপে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। অসমসহ ১৫ খন ৰাজ্যৰ ৯৩ টা স্থানত নিয়া-ই ডিৰ তালাচী গ্ৰেপ্তাৰ ১০৬ শিৰোনামৰ এটা বাতৰি অসমীয়া প্ৰতিদিন কাকতে প্ৰথম পৃষ্ঠাত বক্স নিউজ হিচাপে প্ৰকাশ কৰাৰ বিপৰীতে আমাৰ অসম কাকতে বাতৰিটোক পি এফ আইৰ ওপৰত ছাৰ্জিকেল ষ্ট্ৰাইক - দেশজুৰি ১৫ খন ৰাজ্যত ইডি - নিয়াৰ অভিযান, শতাধিক পি এফ আই নেতাক গ্ৰেপ্তাৰ শিৰোনামেৰে প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰিত স্থান দিছে। একেটা বাতৰিকে দি আচাম ট্ৰিবিউন কাকতে - Crackdown on PFI, 106 functionaries held, নিয়মীয়া বাৰ্তা কাকতে - সাম্প্ৰদায়িক বিষবাষ্প বিয়পাই হিংসাৰ ব্লু-প্ৰিণ্ট, একেদিনাই ১৫ ৰাজ্যৰ ৯৩ টা স্থানত মৌলবাদী পপুলাৰ ফ্ৰণ্ট অৰ ইণ্ডিয়াৰ বিৰুদ্ধে নিয়া-ইডিৰ অভিযান শিৰোনামেৰে প্ৰকাশ কৰিছে।

বিদ্যুতৰ অস্বাভাৱিক মাচুল বৃদ্ধিৰ সন্দৰ্ভত এটা বাতৰি অসমীয়া প্ৰতিদিন কাকতে- উপসংমণ্ডল ভিত্তিত আজব তালিকা, বিদ্যুৎ বিস্ময় ৮ লাখ পৰ্যন্ত বৃদ্ধি ইউনিট শিৰোনামৰ প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰি হিচাপে  প্ৰকাশ কৰিছে।

আজি প্ৰকাশিত অন্যান্য বাতৰিৰ ভিতৰত আছে – আজি ১১ হাজাৰ ২০২ জন প্ৰাৰ্থীক নিযুক্তি পত্ৰ প্ৰদান কৰিব মুখ্যমন্ত্ৰীয়ে, বিশিষ্ট চিত্ৰশিল্পী নীলপৱন বৰুৱা আৰু চলচ্চিত্ৰ পৰিচালক পুলক গগৈ অসুস্থ, ডলাৰৰ বিপৰীতে ৮০ দশমিক ৪-৩ লৈ নামিল টকাৰ মূল্য, ২৯ ছেপ্তেম্বৰৰ পৰাই চলিত মাহৰ দৰমহা, মানাহত বিশ্ব গঁড় দিৱস পালন, দেশৰ বিভিন্ন আদালতত নিষ্পত্তি নোহোৱাকৈ আছে ৪ দশমিক ৮ কোটি গোচৰ ইত্যাদি।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ মুখ্য বাতৰিৰ এক চমু অৱলোকন।

oooooooooo

# সমাপ্ত